**1 (Sem-1/Ar) ASS**

**2025**

**ASSAMESE**

Paper : ASS0100104

***[ Axomiya Bhasha Aru Sahityor Itihash (Up to Year 1826)]***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ লিখা ঃ ১×৮=৮

(ক) “হৰগৌৰী সংবাদ”—শীৰ্ষক কাব্যৰ ৰচক কোন?

(খ) মাধৱ কন্দলিয়ে কোনগৰাকী ৰজাৰ পৃষ্ঠপোষকতাত কাব্য চৰ্চা কৰিছিল?

(গ) “অসমৰ ৰণোদ্যম” শীৰ্ষক পাঠটো কোনখন বুৰঞ্জী পুথিৰ অন্তৰ্গত?

(ঘ) “বৰাৰ পো” কোন?

(ঙ) "অৰ্জুন ভঞ্জন হৈছে মাধৱদেৱে ৰচনা কৰা এখন ঝুমুৰা।" —কথাষাৰ শুদ্ধ নে?

(চ) ভট্টদেৱে পিতৃৰ আজ্ঞা অনুসৰি কাৰ ওচৰত শৰণ লৈছিল?

(ছ) "চৰ্যাচৰ্য-বিনিশ্চয়" কি?

(জ) সুকবি নাৰায়ণদেৱ পাচালি সাহিত্যৰ কোনটো শাখাৰ কবি?

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো ছয়টা)* ২×৬=১২

(ক) চৰ্যাপদৰ *দুটা* বিশেষত্ব লিখা।

(খ) কোন *দুগৰাকী* ব্যক্তিৰ মিলনক "গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ" বুলি কোৱা হয়?

(গ) শংকৰদেৱে ৰচনা কৰা প্ৰথম বৰগীতটো কি আৰু এই বৰগীতটি তেওঁ কোন ঠাইত ৰচনা কৰিছিল?

(ঘ) সূৰ্য কুমাৰ ভূঞাই সম্পাদনা কৰা *দুখন* বুৰঞ্জী পুথিৰ নাম লিখা।

(ঙ) গোৱালপৰীয়া লোকগীতৰ দুটা বিশেষত্ব লিখা।

(চ) "হস্তিবিদ্যাৰ্ণৱ পুথি"-খন কোনে কিমান চনত ৰচনা কৰিছিল?

(ছ) “প্ৰহ্লাদ চৰিত” কাব্যখনৰ মূল বিষয়বস্তু কি আৰু এই কাব্যখন কোন যুগৰ ৰচনা?

(জ) “বোলে বৰা পো কি মোক অমৃত পিয়াই সন্তোষ কৰালা আজি”—কথাষাৰ কোনে কাক কৈছিল?

(ঝ) “শ্ৰীকৃষ্ণ কীৰ্তন” কোনে ৰচনা কৰিছিল আৰু তেওঁ কোন যুগৰ কবি?

(ঞ) সঞ্জয় কোন আৰু তেওঁ কাৰ সৈতে কুৰুক্ষেত্ৰ ৰণ সম্পৰ্কে বাৰ্তালাপ কৰিছিল?

৩। *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ৫×৪=২০

(ক) “কানাই পাৰ কৰা হে” শীৰ্ষক লোকগীতটিৰ মাজেৰে প্ৰতিফলিত আধ্যাত্মিক চেতনা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) “ইয়াণ্ডাবু সন্ধি আৰু অসমীয়া সাহিত্য”—শীৰ্ষক বিষয়ে চমুকৈ আলোচনা কৰা।

(গ) ৰাম সৰস্বতীৰ কাব্যকৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) “তৰুমূল শ্লোক”-ৰ যথাৰ্থতা বিচাৰ কৰা।

(ঙ) বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) মংগলদায়ক হাতীৰ লক্ষণ সম্পৰ্কে তোমাৰ পাঠৰ আধাৰত আলোচনা কৰা।

(ছ) "চোৰধৰা'-ৰ কৃষ্ণ চৰিত্ৰটো বিশ্লেষণ কৰা।

(জ) "নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা"—শীৰ্ষক বৰগীতটোৰ মূলভাৱ লিখা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) ড০ সত্যেন্দ্ৰনাথ শৰ্মাই কৰা অসমীয়া সাহিত্যৰ যুগবিভাজন সম্পৰ্কে আলোচনা কৰা।

(খ) অংকীয়া নাট আৰু ঝুমুৰাৰ মাজৰ পাৰ্থক্যসমূহ উদাহৰণসহ আলোচনা কৰা।

(গ) বধকাব্য হিচাপে ভীমচৰিতৰ এটা আলোচনা যুগুত কৰা।

(ঘ) "লংকাৰ বিৱৰণ"-ৰ আধাৰত মাধৱ কন্দলিৰ "সপ্তকাণ্ড ৰামায়ণ"-ৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ঙ) ভট্টদেৱৰ গদ্যৰীতি সম্পৰ্কে তোমাৰ পাঠৰ আধাৰত আলোচনা কৰা।

---